সদৌ অসম তনজিম মাদাৰিছে ক্বৌমিয়াৰ অন্তৰ্ভূক্ত হ'ব খোজা
মাদ্ৰাছাৰ বাবে, ব'ৰ্ডৰ ৬ মহৰম ১৪৩৫ হিজৰী মোতাবিক ১০ ডিচেম্বৰ
২০১৩ ইং তাৰিখত অনুষ্টিত সাধাৰণ পৰিষদৰ ১২ নং
প্ৰস্তাৱ মৰ্মে গৃহীত হোৱা আৰু ৪ ছেপ্তেম্বৰ ২০২২ ইং তাৰিখে অসম
আৰক্ষী সঞ্চালক প্ৰধান মহোদয় আৰু দ্বিনী মাদ্ৰাছা কৰ্তৃপক্ষৰ মাজত
অনুষ্ঠিত যৌথ বৈঠকত সংযোজিত হোৱা..........

অন্তৰ্ভুক্তিৰ

# চৰ্তাৱলী

কাৰ্যালয়

## সদৌ অসম তনজিম মাদাৰিছে ক্বৌমিয়া

(শাখাঃ ৰাবেতায়ে মাদাৰিছে ইছলামীয়া আৰবীয়া, দাৰুল উলুম দেওবন্দ)
নীলবাগান ঃ হোজাই ঃ অসম

# পটভূমি

যিকোনো শিক্ষা প্ৰতিষ্ঠানৰ সুস্থ পৰিচালনা আৰু শিক্ষাৰ মান উন্নত কৰাৰ বাবে কিছু নীতি-নিয়মৰ প্ৰয়োজন হয়।

অসমৰ সমূহ বেচৰকাৰী দ্বিনী মাদ্ৰাছাক এটা সু-সংহত নীতি নিৰ্দেশিকা তথা সময়োপযোগী সু-চিন্তিত পাঠ্যক্ৰমৰ মাধ্যমত পৰিচালনা কৰাৰ উদ্দেশ্যে ১৯৫৫ ইং চনত প্ৰতিষ্ঠা কৰা হৈছিল তনজিম মাদাৰিছে কৌমিয়া (বেচৰকাৰী মাদ্ৰাছা ব'ৰ্ড)। জন্ম লগ্নৰে পৰা বৰ্ডে তাৰ উদ্দেশ্য সাধনৰ বাবে যথাসাধ্য চেষ্টা চলাই আহিছে। ফল স্বৰূপে অসমৰ অধিকাংশ মাদ্ৰাছা, ব'ৰ্ডে নিৰ্দ্ধাৰণ কৰা নীতি-নিয়ম মানি ব'ৰ্ডৰ অন্তৰ্ভূক্ত হৈছে যদিও বিভিন্ন কাৰণত কিছু সংখ্যক মাদ্ৰাছা এতিয়াও ব'ৰ্ডৰ বাহিৰত আছে।

যোৱা ৪ চেপ্তেম্বৰ ২০২২ তাৰিখে অসমৰ আৰক্ষী সঞ্চালকপ্ৰধান মহোদয়ৰ কাৰ্যালয়ত আৰক্ষীৰ উচ্চ পদস্ত বিষয়া আৰু অসমৰ চাৰিটা ধৰ্মীয়-সমাজিক সংগঠন জমিয়ত উলামা-ই- হিন্দ, নদৰাতুত্তামীৰ উত্তৰ পূৰ ভাৰত, আহলে ছুন্নত ৱাল জামাত আৰু আহলে হাদিছৰ মুৰব্বী সকলৰ মাজত অনুষ্ঠিত হোৱা বৈঠকত নীতিগত ভাবে সিদ্ধান্ত হয় যে সকলো বেচৰকাৰী মাদ্ৰাছা কোনোবা এটা সংগঠনৰ দ্বাৰা গঠিত ব'ৰ্ডৰ অন্তৰ্ভুক্ত হ'ব লাগিব। অন্যথা তেনে মাদ্ৰাছা চলিবলৈ দিয়া ন'হব।

যোৱা ১৮/০৯/২০২২ ইং তাৰিখত অনুষ্ঠিত সদৌ অসম তনজিম মাদাৰিছে কৌমিয়াৰ বৰ্দ্ধিত কাৰ্য্যকৰী সমিতিৰ সভাত বিষয়টোৰ ওপৰত বিতং আলোচনাৰ পিছত এইদৰে সিদ্ধান্ত লোৱা হয় যে,

**ক)** জমিয়ত উলামা-ই- হিন্দৰ তত্বাবধানত আৰু দাৰুল উলুম দেওঁবন্দৰ মতাদৰ্শৰ লগত সহমত পোষণ কৰা, তনজিম ব'ৰ্ডৰ অন্তৰ্ভূক্ত হ'বলৈ ইচ্ছুক মাদ্ৰাছা সমূহক সংগঠিত কৰাৰ ব্যৱস্থা কৰা হওঁক।

**খ)** মাদ্ৰাছাৰ অন্তৰ্ভূক্তিৰ বাবে তনজিম ব'ৰ্ডে পূৰ্বে নিৰ্দ্ধাৰিত কৰা

চৰ্তাৱলীৰ লগত আৰক্ষী প্ৰশাসনে দিয়া পৰামৰ্শ সমূহ সাঙুৰি প্ৰস্তুত কৰা নতুন চৰ্তাৱলী আজিৰ বৈঠকে সৰ্বসন্মত ভাবে অনুমোদন জনায়।

গ) তনজিমৰ অন্তৰ্ভূক্ত হ'ব খোজা মাদ্ৰাছাসমূহক অন্তৰ্ভূক্তিৰ পূৰ্বে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাৰ বাবে অধিবক্তা সকলৰ পৰামৰ্শ ক্ৰমে প্ৰস্তুত কৰা পৰ্যবেক্ষণ প্ৰ-পত্ৰৰ মাধ্যমত পৰ্যবেক্ষণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'য়।

অন্তৰ্ভূক্তিৰ

## চৰ্তাৱলী

১। আবেদনকাৰী মাদ্ৰাছাখনত কমেও আৰবী শাখাৰ চালে আওৱাল, হিফ্জ শাখাৰ তকমীল জামাতলৈকে থাকিব লাগিব।

২। আবেদন সন্নিলিত এখন দৰ্খাস্ত "সাধাৰণ সম্পাদক" সদৌ অসম তন্‌জিম মাদাৰিছ ক্বৌমীয়া নীলবাগান হোজাই (অসম)ৰ ঠিকনাত জমা দিব লাগিব।

৩। সংশ্লিষ্ট এলেকাৰ তন্‌জিম প্ৰতিনিধি অথবা বৰ্ডৰ কাৰ্য্যকৰী কমিটিৰ সদস্যৰ চুপৰিশ নামা দৰ্খাস্তৰ লগত গাঁথি দিব লাগিব।

৪। স্থানীয় জিলা জমিয়তৰ সভাপতি / সম্পাদকৰ দ্বাৰা মাদ্ৰাছাখন স্বীকৃতি প্ৰাপ্ত হ'ব লাগিব।

৫। নিচেই ওচৰৰ কমেও দুখন মাদ্ৰাছাৰ আপত্তি বিহীন (N.O.C) চাৰ্টিফিকেট জমা দিব লাগিব।

৬। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা : আৰবী মাদ্ৰাছাৰ বাবে কমেও এশ (১০০) জন, হিফজ আৰু বানাত মাদ্ৰাছাত কমেও সত্তৰ (৭০) জনী হ'ব লাগিব।

৭। তন্‌জিম ব'ৰ্ডৰ অন্তৰ্ভূক্তিৰ বিষয়ে মাদ্ৰাছা পৰিচালনা কমিটিৰ বৈঠকত গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি (সভাপতিৰ স্বাক্ষৰ ও মোহৰযুক্ত) গাঁথি

দিব লাগিব।

৮। যিডোখৰ মাটিত মাদ্রাছাখন অৱস্থিত, সেই মাটিডোখৰৰ চৰকাৰী দলিল/(S.D.C.)ৰ পট্টা নাইবা মাটি মালিকৰ পৰা ষ্টাম্পৰ ওপৰত ৱাকফনামাৰ কপি দৰ্খাস্তৰ লগত গাঁথি দিব লাগিব।

৯। দৰ্খাস্তকাৰী মাদ্রাছাখন নিকটবৰ্ত্তী তন্‌জিমভুক্ত মাদ্রাছাৰ পৰা তলত উল্লেখ কৰা দুৰত্বত অৱস্থিত হ'ব লাগিব।

ক) মাদাৰিছে আৰবীয়া (ল'ৰাৰ বাবে) ৫ কিঃ মিঃ।

খ) মাদাৰিছে হিফজ আৰু বানাতৰ বাবে ৩ কিঃ মিঃ।

***বিঃদ্রঃ এই নিয়ম জানুৱাৰী ২০১৪ চনৰ পৰা প্ৰযোজ্য হ'ব।***

১০। তিনি বছৰৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফলৰ কপি দৰ্খাস্তৰ লগত গাঁথি দিব লাগিব।

১১। উল্লিখিত চৰ্তাৱলী পূৰণ কৰাৰ পাছত অন্তৰ্ভুক্তিৰ পূৰ্বে মাদ্রাছাখনক তন্‌জিমৰ বছৰেকীয়া পৰীক্ষাত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়া হব। উত্তীৰ্ণৰ হাৰ নূন্যতম ৬০% হ'ব লাগিব।

১২। কোনো সদাশয় ব্যক্তিয়ে ব্যক্তিগত তত্বাৱধানত প্ৰতিষ্ঠা কৰা মাদ্রাছা যদি তন্‌জিমৰ নিৰ্ধাৰিত নীতি মালাৰ আওতাত নপৰে, কিন্তু মাদ্রাছা কৰ্তৃপক্ষই শৈক্ষিক উন্নতিৰ বাবে মাদ্রাছাখনক তন্‌জিমৰ লগত জড়িত কৰিব খোজে, তেনে মাদ্রাছা তলত দিয়া চৰ্ত সাপেক্ষে তন্‌জিমৰ অন্তৰ্ভুক্ত কৰা হব।

ক) কেৱল শৈক্ষিক উন্নতিৰ প্ৰগ্ৰামবোৰত অংশ গ্ৰহণ কৰাৰ অনুমতি দিয়া হব।

খ) অন্যান্য সা-সুবিধা যেনে- প্ৰমাণ পত্ৰ, মাদ্রাছাৰ তালিকাত নাম সন্নিবিষ্ট আদিৰ পৰা বিৰত ৰখা হব।

১৩। ঈদোজ্জোহাৰ পিছত আৰু ৰবিউচ্ছানীৰ আগত উপৰোক্ত তথ্য-পাতি সহ তন্‌জিমৰ কাৰ্য্যালয়ত দৰ্খাস্ত দাখিল কৰিব লাগিব।

১৪। কাৰ্য্যালয়ত দৰ্খাস্ত জমা নকৰালৈকে পৰিদৰ্শনৰ অনুমতি দিয়া নহয়। তেনে ৰিপৰ্ট বিধিগত ভাবে অগ্ৰাহ্য হ'ব।

১৫। ধৰ্মীয় শিক্ষাৰ উপৰিও মাদ্ৰাছাসমূহে সাধাৰণ শিক্ষাৰ লগতে বৃত্তিমূলক শিক্ষাকো পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিব লাগিব।

*বিঃদ্রঃ কাৰিকৰী শিক্ষা সম্পৰ্কীয় নিৰ্দেশনা পৰৱৰ্তী পৰ্যায়ত প্ৰেৰণ কৰা হ'ব।*

১৬। এফিলিয়েটেড মাদ্ৰাছাসমূহে প্ৰতি ৬ মাহৰ মূৰে মূৰে নিজৰ শিক্ষকৰ সবিশেষ (পূৰ্ণকালীন/অংশকালীন/অস্থায়ী) চৰকাৰৰ বিভাগীয় পৰ্টেলৰ লগতে তনজিমৰ কাৰ্যালয়ত দাখিল কৰিব লাগিব। এনে সবিশেষত নাম, ঠিকনা (স্থায়ী/ অস্থায়ী) প্ৰমাণৰ সৈতে ফোন নম্বৰ, পিতৃ/স্বামীৰ নাম, চি এণ্ড এ, পৰীক্ষণৰ প্ৰমাণ-পত্ৰ (শিক্ষকজন অসমৰ বাহিৰৰ হ'লে) শৈক্ষিক বিৰৰণৰ লগতে সংশ্লিষ্ট প্ৰমাণ-পত্ৰ, ফটোগ্ৰাফ আদি থাকিব লাগিব।

**বানাত মাদ্ৰাছাৰ বাবে অতিৰিক্ত**

১৭। প্ৰতিখন বানাত মাদ্ৰাছাত মোহৰিম জিম্মাদাৰৰ এটি যুটী থাকিব লাগিব, যিসকলৰ মাজত মাদ্ৰাছাখন শ্বৰিয়ত সন্মত ভাবে পৰিচালনা কৰাৰ যোগ্যতা থাকিব লাগিব।

১৮। প্ৰতিখন বানাত মাদ্ৰাছাত কমেও তিনিগৰাকী শিক্ষয়িত্ৰী শিক্ষাদানত ব্ৰতী থাকিব লাগিব।

১৯। ছাত্ৰীৰ অনুপাতে চৌহদত পেচাব, পায়খানা, আজুৰ ব্যৱস্থা তথা নামাজ আদায়ৰ সু-ব্যৱস্থা থাকিব লাগিব।

২০। মাদ্ৰাছা চৌহদত পৰ্দাৰ সু-ব্যৱস্থা থাকিব লাগিব, মাদ্ৰাছাৰ পৰিৱেশ স্বাস্থ্য সন্মত হ'ব লাগিব।

২১। শিক্ষাদানৰ ক্ষেত্ৰত শ্বৰিয়ত সন্মত আবুৰৰ ব্যৱস্থা থকাটো বাধ্যতামূলক হ'ব।

২২। পৰীক্ষাৰ সুবিধাৰ্থে তনজিম ব'ৰ্ডে নিৰ্ধাৰণ কৰি দিয়া কেন্দ্ৰতহে পৰীক্ষাত অংশগ্ৰহন কৰাটো বাধ্যতামূলক হ'ব।

২৩। বানাত মাদ্ৰাছাত ছাত্ৰীনিৱাস স্থাপন কৰিবলৈ হ'লে হোষ্টেলৰ বাবে নিৰ্দ্ধাৰিত চৰ্তাৱলীৰ ১০০ শতাংশ উপলব্ধ হ'ব লাগিব।

# বিশেষ আবেদন

সমূহ মাদ্ৰাছা কৰ্তৃপক্ষক আন্তৰিক শুভেচ্ছা জনাই অতি বিনম্ৰভাবে এই মহূৰ্ত্তত দু-আষাৰ কোৱাৰ প্ৰয়োজন বোধ কৰিছো।

দ্বিনী শিক্ষাৰ সংৰক্ষশ-সম্প্ৰসাৰণৰ উদ্দেশ্যে মাদ্ৰাছা প্ৰতিষ্ঠা কৰা নিঃসন্দেহে ডাঙৰ নেকীৰ কাম। কিন্তু অন্যান্য নেক কামৰ ক্ষেত্ৰত থকা কিছু নীতি-নিৰ্দেশনাৰ দৰে দ্বিনী প্ৰতিষ্ঠান প্ৰতিষ্ঠা তথা পৰিচালনাৰ ক্ষেত্ৰত কিছু নীতি-নিয়ম আছে। আন ঈবাদত সমূহ নীতি বহিৰ্ভূত ভাবে কৰিলে নেকীৰ পৰিৱৰ্তে গুনাহ হোৱাৰ আশংকা থকাৰ দৰে মাদ্ৰাছাৰ ক্ষেত্ৰতো সেই আশংকা আছে। মাদ্ৰাছা প্ৰতিষ্ঠা তথা পৰিচালনাৰ ক্ষেত্ৰত আমাৰেই কিছু বন্দুবৰ্গই শ্বৰিয়ত তথা সামাজিক নীতি-নিৰ্দেশনা ভঙ্গ কৰাৰ পৰিণাম হয়তো আজি আমি ভূগিবলগা হৈছে।

আপোনালোক নিশ্চয় অৱগত যে মাদ্ৰাছাক লৈ চলাই থকা কুচকাৰাজ তনজিম মাদাৰিছে সৌজন্যমূলক ভাবে লোৱা কোনো পদক্ষেপ নহয়। সাম্প্ৰতিক পৰিস্থিতিত মাদ্ৰাছাবোৰক ৰক্ষা কৰিবলৈ ইয়াৰ কোনো বিকল্প নাই। আশা কৰো মাদ্ৰাছাৰ বৃহত্তৰ স্বাৰ্থত সকলোৰে তনজিমৰ এই পদক্ষেপৰ প্ৰতি সহযোগিতা আগবঢ়াব।

বিনীত-
(মৌলানা) আব্দুল কাদিৰ ক্বাছিমী
সাধাৰণ সম্পাদক
সদৌ অসম তনজিম মাদাৰিছ কৌমিয়া
নীলবাগান ঃ হোজাই ঃ অসম

কাৰ্যালয় সম্পাদক (মৌলানা) ইক্ৰামুল হকৰ দ্বাৰা প্ৰকাশিত ও প্ৰচাৰিত